আপুনি ভ্ৰমণ কৰিব বিচাৰে নেকি?
Call : + 91 8486843784
Tai Phakey Eco-tourism Camp

নিৰ্ভীক সাংবাদিকতাৰ প্ৰতীক

# দৈনিক জনমভূমি

গুজৰাটৰ প্ৰকৃত ছবিখন 8

৪২ সংখ্যক বছৰ ● গুৱাহাটী, ত্ৰয়োদশ বছৰ, সংখ্যা ২২৩ ● বুধবাৰ ● ১২ কাতি ১৯৩৫ শক RNI No. ASSASS/2001/4531
THE DAINIK JANAMBHUMI Guwahati Wednesday October 30, 2013

১৪ পৃষ্ঠা

e-paper : www.dainikjanambhumi.co.in. মূল্য ঃ ৬ টকা

গুৱাহাটী, যোৰহাট আৰু তিনিচুকীয়াৰ পৰা প্ৰকাশিত

মইনা মেলা ৬




# পেঞ্চন আঁচনি 'স্বাৱলম্বন'ৰ শুভাৰম্ভ

**গুৱাহাটী ঃ** ষ্টাফ ৰিপ'র্টাৰ, ২৯ অক্টোবৰ ঃ সমাগত লোক সভাৰ নিৰ্বাচনৰ প্ৰাক্‌ক্ষণত কংগ্ৰেছ চৰকাৰৰ জনপ্ৰিয়তা বৃদ্ধিৰ বাবে তৰুণ গগৈ নেতৃত্বাধীন চৰকাৰে বিভিন্ন ধৰণৰ আকৰ্ষণীয় আঁচনি গ্ৰহণ কৰিছে। লোক সভাৰ নিৰ্বাচনক লক্ষ্য কৰি লৈ চৰকাৰখনে ৰাজ্যৰ বিভিন্ন স্তৰৰ জনসাধাৰণৰ বাবে বিভিন্নধৰণৰ আঁচনি গ্ৰহণ কৰি আকৰ্ষণ কৰাৰ চেষ্টা কৰিছে। আজি ৰাজ্যৰ দৰিদ্ৰ জনতাক সুৰক্ষিত ভৱিষ্যৎ দিয়াৰ লক্ষ্যেৰে 'স্বাৱলম্বন' নামৰ এখন পেঞ্চন আঁচনিৰ শুভাৰম্ভ কৰে মুখ্যমন্ত্ৰী তৰুণ গগৈয়ে। মূলতঃ ৰিক্সাচালক, ঠেলাচালক, চাহ শ্ৰমিক,অংগনৱাড়ী কৰ্মী, আশা কৰ্মী, ৰোৱনী-দাৱনী আদিক সামৰি ল'ব লগীয়া এই পেঞ্চন আঁচনিত হিতাধিকাৰীয়ে বাৰ্ষিক ১০০০-ৰ পৰা ১২,০০০ টকালৈকে ধন জমা দিব পাৰিব। এই ধনৰ সৈতে কেন্দ্ৰীয় চৰকাৰে ১০০০ আৰু ৰাজ্য চৰকাৰে ১০০০ টকা যোগ দিব। অৰ্থাৎ এজন হিতাধিকাৰীৰ এবছৰৰ জমা যদি ১০০০ টকা হয়, তেন্তে তেওঁৰ পুঁজিত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ ধন যোগ হৈ সেই বছৰত ৩ হাজাৰ টকা হ'ব। আনহাতে, দুবছৰ পূৰ্বে কেন্দ্ৰীয় চৰকাৰে হাতত লোৱা মূল আঁচনি অনুসৰি হিতাধিকাৰী আৰু কেন্দ্ৰৰ ধনহে যোগ হোৱাৰ কথা আছিল। কিন্তু দৰিদ্ৰ ৰাজ্যবাসীৰ সুবিধাৰ্থে ৰাজ্য চৰকাৰেও ১০০০ টকা সংযোগ কৰাৰ সিদ্ধান্ত লয়। আজি ৰবীন্দ্ৰ ভৱনত এই আঁচনিখন শুভাৰম্ভ কৰি মুখ্যমন্ত্ৰী তৰুণ গগৈয়ে স্বাৱলম্বন পেঞ্চন আঁচনিয়ে দৰিদ্ৰ জনতাৰ বাবে বিপ্লৱ *দহ পিঠিলৈ*

## পেঞ্চন আঁচনি 'স্বাৱলম্বন'ৰ শুভাৰম্ভ

*তিনি পিঠিৰ পৰা* কঢ়িয়াই আনিব বুলি মত প্ৰকাশ কৰে। তেওঁ আজিৰ দিনটো ৰাজ্যৰ বাবে এটা উল্লেখযোগ্য আৰু ঐতিহাসিক দিন হিচাপে চিহ্নিত হ'ব বুলিও প্ৰকাশ কৰি আঁচনিখনৰ দ্বাৰা দৰিদ্ৰসকলৰ ভৱিষ্যৎ সুৰক্ষিত হোৱাৰ আশা প্ৰকাশ কৰে। তেওঁ কয় যে নিম্ন শ্ৰেণীৰ লোকসকলে দৈনিক আয় কৰি দৈনিক খায়। সঞ্চয় কৰিব পৰাকৈ সাধাৰণতে তেওঁলোকৰ আয় নহয়। সেয়ে উপাৰ্জন বন্ধ হৈ পৰাৰ লগে লগে তেওঁলোকৰ জীৱন স্থবিৰ হৈ পৰে। কিন্তু এই পেঞ্চন আঁচনিয়ে দৰিদ্ৰ লোকসকলৰ উপাৰ্জন বন্ধ হৈ পৰাৰ পাছতো জীয়াই থকাৰ পথ মুকলি কৰিব বুলি মত প্ৰকাশ কৰে। উল্লেখযোগ্য যে পৰিয়ালৰ ১৮ বছৰ উৰ্দ্ধৰ প্ৰতিজন সদস্যকে এই আঁচনিত সামৰি ল'ব। এই আঁচনিত সম্প্ৰতি চৰকাৰৰ সৈতে জড়িত হৈ আছে অসম গ্ৰামীণ বিকাশ বেংক আৰু অলংকৃত এছাইনমেণ্ট নামৰ বিত্তীয় সংস্থা দুটা।